# মোৰ জীৱনৰ কথা



**২৭।১২।২০০০।** ৬-৩০। জিণ্টি, বল্টু আৰু ৰশ্মিলৈ নতুন বছৰৰ শুভেচ্ছা জনাই e-mail পঠালো। কলাক্ষেত্ৰৰ চিঠি, brochure আদিৰ প্ৰুফ চালো। লক্ষীনন্দন বৰা আহিল। তাক মই 'উদয়' আলোচনীৰ কাৰণে লেখা এটা দিবলৈ কৈছিলো, সি আজি লেখা এটা লৈ আহিল। বৰ ভাল পালো। তাৰ লগত আধাঘণ্টামান সময় কথা পাতিলো। দুই বজাত কলাক্ষেত্ৰলৈ গ'লো। লগত প্ৰীতি। ২-৪৫— সমুখৰ মুকলি মঞ্চত কেন্দ্ৰীয় মন্ত্ৰী সুষমা স্বৰাজে চব্বিছ ঘণ্টীয়া দূৰদৰ্শনৰ চেনেল উদ্বোধন কৰাৰ সভাৰ আয়োজন কৰা হৈছে—তালৈ আহিলো। তিনি বজাত সভা আৰম্ভ হ'ল। উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যৰে হয় মুখ্যমন্ত্ৰী, নহয় অন্য মন্ত্ৰী, নহয় বিষয়া-প্ৰতিনিধি আহিছে। সভাৰ শেষত সাংস্কৃতিক অনুষ্ঠান। দুটা আইটেম চাই (৪-৪৫ মানত) ঘৰলৈ। কৃষ্ণ ৰয় আহিছে। তেওঁৰ লগত গৰল (মিৰ্জাৰ ফালে) নামৰ ঠাইলৈ। তাত থিয়েটাৰ চলিছে। প্ৰায় ৩০ কি. মি.। প্ৰদীপ কলিতাৰ ইটা ভাটাত ভাত খালো। ঘৰ পাওঁতে ১০-৩০। কষ্ট পালো। কালি বজালী কলেজৰ অধ্যক্ষ ড° পাটগিৰিক পাঠশালাৰ সভাখনলৈ যাব নোৱাৰিম বুলি ক'লো। (Effectiveness of College Education)।

**২৮।১২।২০০০।** ৬-৩৫। কলাক্ষেত্ৰৰ brochure-অৰ প্ৰুফ চোৱা কাম। জ্যোতি প্ৰসাদ আগৰৱালাই লিখা নিমাতী কন্যা নাটকখন পঢ়িলো। সোঁ চকুটো কেইবাদিনৰে পৰা খচখচাই আছিল; আজি ড° হৰ্ষ ভট্টাচাৰ্যলৈ ফোন কৰিলো। তেওঁ আজি তিনি বজাতে যাবলৈ ক'লে। গ'লো। তেওঁ পৰীক্ষা কৰি (অইন এজনে প্ৰাথমিক পৰীক্ষা কৰাৰ পাছত) ঔষধ দিলে। মুঠতে ডেৰ ঘণ্টা সময় লাগিল। বৰ কম সময় লাগিল বুলিয়েই ভাবিলো। আমাৰ গাড়ীচালক ঈদ বুলি ঘৰলৈ গৈছে। এই কেইদিন কলাক্ষেত্ৰৰ গাড়ীত কলাক্ষেত্ৰলৈ অহা-যোৱা কৰিছোঁ। আজি কলাক্ষেত্ৰৰ গাড়ীখন ডেৰঘণ্টা মোৰ ব্যক্তিগত কামৰ কাৰণে ব্যৱহাৰ কৰা কথাটো ভাল নাপালো। কলাক্ষেত্ৰ পাওঁতে ৪-৪৫ বাজিল। ছয় বজালৈকে কাম কৰিলো। ঈশানক লগ নাপালো। গৌতমক পালো। মই ঘৰ পোৱাৰ পাছত ঈশানে ফোন কৰি কামৰ কথা পাতিলে। যোৰহাটৰ শান্তনু তামুলী আহিল। শিশু-সাহিত্য লেখক শিবিৰত প্ৰস্তুত কৰা কিতাপ এঘাৰখন পঢ়ি থৈছিলো; আজি তেওঁক মোৰ মতামতেৰে (মৌখিক) সৈতে ওভোতাই দিলো। ড° জয়নাথ শৰ্মাই তেওঁৰ পৰিবাৰৰ চিকিৎসা হিউষ্টনত কৰোৱাৰ কথা লৈ ফোন কৰিলে।

**২৯।১২।২০০০।** ৬-৩৫। জিণ্টিহঁতৰ লগত ফোনত কথা। কালি ড° জয়নাথ শৰ্মাই তেওঁৰ পৰিবাৰৰ চিকিৎসাৰ বিষয়ে যি কৈছিল, জিণ্টিক ক'লো। জিণ্টিয়ে যি ক'লে সেইখিনি ড° শৰ্মাক ক'লো। মুঠতে এতিয়া ড° শৰ্মাৰ পৰিবাৰে মুম্বাইৰ চিকিৎসাখিনি লৈ লোৱা ভাল। তাৰ পাছত বিদেশৰ চিকিৎসাৰ কথা। মনোজ গোস্বামীয়ে এক তাৰিখৰ কাকতৰ কাৰণে লেখা এটাৰ কথা কৈছিল; সেই বিষয়ে তেওঁৰ লগত কথা পাতিলো (ফোনত) আৰু লিখা আৰম্ভ কৰিলো। ওচৰৰ ঘৰৰ মালিক ৰুক্ম কলিতাই দ্বিতীয় মহলাৰ ঘৰ লোৱা উপলক্ষে ভোজ পাতিছে। তেওঁলোকে বৰ আগ্ৰহ প্ৰকাশ কৰিছিল, গ'লো। কলাক্ষেত্ৰৰ কাম ঘৰতে কৰিলো। সন্ধিয়া ৫-৩০ মানত কলাক্ষেত্ৰলৈ। অসম চৰকাৰে Xmas (বৰদিন) উপলক্ষে এটা সাংস্কৃতিক অনুষ্ঠান আৰু নৈশভোজৰ আয়োজন কৰিছে। অনুষ্ঠান ওপৰ খাপৰ হোৱা নাই। ঘৰ পাওঁতে ১০-১৫। লয়াৰ্ছ বুক ষ্টলে 'নলিনীবালা দেৱী ৰচনা সম্ভাৰ'ৰ নবন্ধা কপি এটা আৰু ডায়েৰি দি গৈছে।

**৩০।১২।২০০০।** ৬-৩০। নলিনীবালা দেৱীৰ ৰচনা-সম্ভাৰ নামৰ কিতাপখন লুটিয়াই চালো। কিতাপখন ছপাই উলিৱাওঁতে লৰালৰি কৰা হৈছে। তাৰ প্ৰমাণ পোৱা গ'ল। কিন্তু এই গৰাকী লেখিকাৰ সকলো কিতাপ একেলগে পোৱাটো বৰ ভাল কথা হ'ব। উদ্বোধনী সভা (গ্ৰন্থমেলা প্ৰাংগণত) আৰম্ভ হওঁতে বাৰ বাজি গ'ল। মই 'আমাৰ দিনৰ' এই কবি-লেখিকাসকলক ঘনে-ঘনে স্মৰণ কৰাৰ ব্যৱস্থা কৰি তেখেতসকলক আজিৰ যুবক-যুবতীৰ ঘনিষ্ঠ কৰি ৰখাৰ কথা ক'লো। এনে গ্ৰন্থ সংকলন কৰাটো কিমান কঠিন কাম সেইটো ক'লো। মূল লেখক-লেখিকাৰ নিজত্ব বজাই ৰাখি, তেখেতসকলৰ ভুলবোৰ শুধৰোৱাটো কিমান দায়িত্বপূৰ্ণ কাম, সেই কথাও উল্লেখ কৰিলো। তাৰ পৰা আহিয়েই চুবুৰিৰ 'জুফি'ৰ চালিছা উপলক্ষে অনুষ্ঠিত ভোজলৈ গ'লো। আনিছ-উছ-জামান সপৰিবাৰে আহিল। তেওঁলোক যোৱাৰ পাছতে মই মনোজ গোস্বামীৰ বাবে প্ৰবন্ধটো লিখা কামত ধৰিলো। ৬-১৫ মান বজাত শেষ হ'ল। সাতমান বজাত মনোজ আৰু তেওঁৰ পৰিবাৰ আহিল। লেখাটো দিলো। গাটো পাতল-পাতল লাগিল। ড° হেমেন বৰ্মন আহিল। তেওঁ মোৰ সোঁ ভৰিখন পৰীক্ষা কৰি ঔষধ দিলে।

**৩১।১২।২০০০।** ৬-৩৫। ভবেন বৰুৱাই ফোন কৰিলে। কাইলৈ পুৱা ৯-৩০ বজাত তেখেতৰ তিনিখন কিতাপ আৰু কবিতা-আবৃত্তিৰ কেছেট এটা মুকলি কৰা হ'ব। বিবেকানন্দ কেন্দ্ৰত। তেখেতে মোক আগতেও কথাটো কৈছিল। আজি আকৌ মোক তালৈ যাবলৈ ক'লে। ললিত কলিতা আহিল। 'স্বৰ্ণজয়ন্তী' নামৰ নাটকখনৰ প্ৰুফ দি গ'ল। কালি বিমল কুমাৰ হাজৰিকাই তেওঁৰ গল্পৰ কিতাপ এখন মুকলি কৰাৰ কথা কৈছিল; আজি সেই কথাকে লৈ যোগেশ দাসৰ (স্বৰ্গীয় সাহিত্যিক) পৰিবাৰেও ফোন কৰিলে। কটন কলেজৰ ছাত্ৰসভাৰ সাধাৰণ সম্পাদকে কলেজ-সপ্তাহৰ অনুষ্ঠানৰ কাৰণে ফোন কৰিলে; মই অসুবিধাৰ কথা ক'লো। চন্দন শৰ্মা আহিল। নতুন বছৰৰ শুভেচ্ছা জনাবলৈ। মই তেওঁৰ পৰা ফোন নম্বৰটো লৈ নগাঁৱৰ অপূৰ্ব শৰ্মালৈ সাহিত্য একাডেমিৰ বঁটা পোৱাৰ বাবে অভিনন্দন জনাই ফোন কৰিলো। পাছবেলা কলাক্ষেত্ৰলৈ। তেজপুৰৰ নলিনীকান্ত বৰুৱাই প্ৰদৰ্শনী সজাইছে। সেয়া চালো। তেওঁক কামত সহায় কৰাৰ ব্যৱস্থা কৰিলো। পুতলা নাচৰ ৰিহাৰ্ছেল চালো। মোৰ পৰামৰ্শ কাইলৈ লিখিতভাৱে জনাম বুলি ক'লো। পোহৰ, সংগীত আৰু কাৰিকৰী কৌশলৰ উন্নতি সাধন কৰিব লাগিব। সাত বজাত ঘৰ পালোহি। ভবেন বৰুৱাৰ সভাখনৰ আয়োজক নিত্যৰঞ্জন গোস্বামীলৈ ফোন কৰিলো,—সেই সভাখনলৈ মই যাব নোৱাৰিম। মোৰ দায়িত্ব পালন কৰাৰ কাৰণেই মই পুৱা ন বজাত কলাক্ষেত্ৰলৈ যাব লাগিব। সন্ধিয়া মই নাথাকোঁতে ধীৰাজ গোস্বামী আৰু হৃদয়ানন্দ গগৈ আহিছিল। (গগৈৰ পৰিবাৰ নিভাও আহিছিল।) নতুন বছৰৰ শুভেচ্ছা জনাবলৈ।

ৰাতি ১০-৩০ বজালৈকে টিভি চালো। তাৰ পাছত বছৰটোক বিদায় দি শুলো। বছৰটোৰ আঠ মাহ দেশত, চাৰি মাহ বিদেশত থাকিলো। অসুখে মোৰ কামৰ গতি আৰু আঁচনি বহু সলনি কৰিলে। তথাপি যি পাৰোঁ কৰিলো। বেয়া কাম, লোকৰ অপকাৰ কৰা কাম একো নকৰিলো (সজ্ঞানে)। সেয়াই ভাল কাম বুলি টোপনি যাওঁ।

(আগলৈ)